ৰাজনীতি

চামগুৰিত কাৰ গাখীৰ খালে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই?

নির্বাচনী প্রতিশ্রুতি পূৰণ কৰি ৰূপহীহাটত এনডিএৰ বিজয় উৎসৱত অংশ লয় মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই।

প্রকাশ: ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৫



(NewzNow)

নগাঁও, ৮ নৱেম্বৰঃ নির্বাচনী প্রচাৰৰ সময়ত দিয়া প্রতিশ্রুতি পূৰণ কৰি দেওবাৰে নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত এক বিশাল বিজয় উৎসৱত অংশগ্রহণ কৰে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই।

নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচনৰ প্রচাৰৰ সময়ত মুখ্যমন্ত্রীয়ে প্রতিশ্রুতি দিছিল যে এনডিএৰ প্রার্থী দেৱাশিস শর্মা বিজয়ী হ'লে তেওঁ নিজে ৰূপহীহাটলৈ আহি ৰাইজৰ সৈতে বিজয় উদ্‌যাপন কৰিব।

সেই প্রতিশ্রুতি অনুসৰিয়েই মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা হেলিকপ্টাৰেৰে ৰূপহীহাটৰ ফখলি ঈদগাহত উপস্থিত হয়। তাৰ পাছত সমদল আৰু ৰেলীৰে তেওঁক বিজয় উৎসৱস্থলীলৈ আদৰি নিয়া হয়।

অনুষ্ঠানস্থলীত উপস্থিত হৈ মুখ্যমন্ত্রীয়ে হাজাৰ হাজাৰ লোকৰ সৈতে এনডিএৰ জয় উদ্‌যাপন কৰে। বিজয় উৎসৱত এনডিএৰ কর্মী-সমর্থকৰ লগতে স্থানীয় ৰাইজৰো ব্যাপক অংশগ্রহণ দেখা যায়।

ইফালে, বিজয় উৎসৱৰ মাজতে চর্চা লাভ কৰে আন এক দৃশ্যই। অনুষ্ঠানস্থলীতে চোৰহাব আলীয়ে আগবঢ়োৱা

গাখীৰ পান কৰে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই। এই ঘটনাই উৎসৱস্থলীত উপস্থিত লোকসকলৰ দৃষ্টি আকর্ষণ কৰে।

নির্বাচনী প্রচাৰৰ সময়ত ৰাইজক দিয়া প্রতিশ্রুতি ৰক্ষা কৰিয়েই এই বিজয় উৎসৱৰ আয়োজন কৰা হয়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1219/himanta-joins-nda-victory-celebration-samaguri